অসম চৰকাৰ

আয়ুক্তৰ কাৰ্য্যালয় ধুবুৰী ,

খাদ্য ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ

# ৰাজহুৱা জাননী

ৰাজহুৱা বিতৰণ ব্যৱস্থা (PDS)ৰ অধীনৰ সকলো NFSA হিতাধিকাৰীক ইয়াৰ দ্বাৰা অৱগত কৰা হয় যে চৰকাৰী নিৰ্দেশনা অনুসৰি ৰেচন কাৰ্ডৰ সদস্যসকলৰ EKYC সত্যাপন (verification) কৰাটো বাধ্যতামূলক। অসম চৰকাৰৰ পৰা লাভ কৰা চিঠিৰ ই-ফাইল নম্বৰ E-578917/32, তাৰিখ ১৯-০৫-২০২৬ অনুসৰি তথা ভাৰত চৰকাৰৰ আদেশ আৰু মাননীয় উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা অনুসৰি, ৰাজ্যখনৰ ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন, ২০১৩ (NFSA-2013) অধীনস্থ হিতাধিকাৰীসকলৰ ১০০% e-KYC প্ৰমাণীকৰণ সম্পন্ন কৰাটো অপৰিহাৰ্য হৈ পৰিছে।

যিসকল হিতাধিকাৰীয়ে এতিয়ালৈকে eKYC সম্পন্ন কৰা নাই, তেওঁলোকক তেওঁলোকৰ নিকটৱৰ্তী সুলভ মূল্যৰ দোকানত (Fair Price Shop) উপলব্ধ ePoS মেচিনৰ জৰিয়তে অতি সোনকালে এই প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰিবলৈ জনোৱা হ'ল।

ইয়াৰ উপৰিও জনোৱা হয় যে চৰকাৰী নিৰ্দেশনা অনুসৰি e-KYC সত্যাপন নোহোৱাকৈ থকা ৰেচন কাৰ্ডৰ সদস্য বা ৰেচন কাৰ্ডসমূহ NFSA হিতাধিকাৰীৰ তালিকাৰ পৰা কৰ্তন (delete) কৰা হ'ব পাৰে।

গতিকে, ৰেচন কাৰ্ডৰ ডাটাবেছৰ পৰা নাম কৰ্তন হোৱাতো এৰাই চলিবলৈ সকলো হিতাধিকাৰীক যিমান পাৰি সোনকালে eKYC প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ অনুৰোধ জনোৱা হল।

যিকোনো সহায়ৰ বাবে হিতাধিকাৰীসকলে তেওঁলোকৰ নিকটৱৰ্তী সুলভ মূল্যৰ দোকানী/এজেন্টৰ সৈতে যোগাযোগ কৰিব পাৰে।

(শ্ৰী মেঘ নিধি ডাহাল, আই.এ.এছ.)

জিলা আয়ুক্ত, ধুবুৰী।

২৯/৫/২০২৬

স্মাৰক নং-.জি.এছ.ডি -৩৭/২০২৫/২৮৭ (ক) তাৰিখঃ- ২৯/০৫/২০২৬

ইয়াৰ প্ৰতিলিপিঃ-

১/ মাননীয় বিধায়ক (ধুবুৰী/গৌৰীপুৰ/গোলকগঞ্জ/বিৰসিং জৰুৱা/বিলাসীপাৰা) ৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল।

২/ ব্যক্তিগত সহায়ক, অতিৰিক্ত মুখ্য সচিব। অতিৰিক্ত মুখ্য সচিব, অসম চৰকাৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ, দিছপুৰ, গুৱাহাটী-৬ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল।

৩/ ব্যক্তিগত সহায়ক, সচিব। সচিব, অসম চৰকাৰ, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ, অসম, দিছপুৰ, গুৱাহাটী-৬ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল।

৪/ আয়ুক্ত, খাদ্য, ৰাজহুৱা বিতৰণ, গ্ৰাহক পৰিক্ৰমা আৰু বৈধ জোখ-মাখ বিজ্ঞান, অসম, গুৱাহাটী-৭ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল।

৫/ ধুবুৰী জিলাৰ অধীনস্থ সকলো সম-জিলা আয়ুক্তৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল।

৬/ ডি. আই অ, এন. আই. চি. (DIO, NIC) ধুবুৰী, জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল।

৭/ জিলা তথ্য আৰু জনসংযোগ বিষয়া, ধুবুৰী। তেখেতক জিলা সমাজিক মাধ্যমত (Social Media) আপলোড কৰাৰ বাবে লগতে FLS প্ৰণালীৰ জৰিয়তে সজাগতা সৃষ্টি কৰিবলৈ অনুৰোধ জনোৱা হ'ল।

৮/ ধুবুৰী জিলাৰ অধীনস্থ পৌৰসভাৰ সকলো কাৰ্য্যবাহী বিষয়াৰ জ্ঞাতাৰ্থে আৰু বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে প্ৰেৰণ কৰা হ'ল।

৯/ ধুবুৰী জিলাৰ অধীনস্থ সকলো খণ্ড উন্নয়ন বিষয়া (BDO)ৰ জ্ঞাতাৰ্থে আৰু বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে প্ৰেৰণ কৰা হ'ল।

১০/ সকলো পৰিদৰ্শক/উপ-পৰিদৰ্শক, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ ধুবুৰী জিলাৰ জ্ঞাতাৰ্থে আৰু বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে প্ৰেৰণ কৰা হ'ল।

১১/ ধুবুৰী জিলাৰ অধীনস্থ WCCS/GPSS ৰ সকলো সম্পাদকৰ জ্ঞাতাৰ্থে আৰু বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে প্ৰেৰণ কৰা হ'ল।

১২/ সকলো সুলভ মূল্যৰ দোকানৰ (FPS)/এজেন্টৰ জ্ঞাতাৰ্থে আৰু বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে প্ৰেৰণ কৰা হ'ল।

১৩/ কাৰ্য্যালয়ৰ নথি (Office file)।

(শ্ৰী মেঘ নিধি ডাহাল, আই.এ.এছ.)

জিলা আয়ুক্ত, ধুবুৰী।

২৯/৫/২০২৬